প্রান্তিক

চতুশ্চত্বাৰিংশ বছৰ চতুৰ্বিংশ সংখ্যা। ১৬-৩০ নৱেম্বৰ ২০২৫





সুৰ সাম্ৰাজ্ঞী সৰগলৈ
গুচি গ'ল চৈয়দ ছাদুল্লা



নিঃসংগ হ'ল
দীপক শর্মাৰ বাঁহীটো

জুবিনৰ মৃত্যু আৰু আজিৰ পৰিস্থিতি

জুবিনৰ বৰ অসম আৰু AI-ৰ গ্ৰহণযোগ্যতা

PRANTIK ISSN : 0971-5932

অসমীয়া জনজীৱনত আঘোণ মাহ

Scanned with OKEN Scanner

মূল্য ঃ ৪০ টকা

প্রান্তিক

পখেকীয়া আলোচনী

চতুশ্চত্বাৰিংশ বছৰ চতুৰ্বিংশ সংখ্যা। ১৬-৩০ নৱেম্বৰ ২০২৫

Vol. XLIV No. 24 16-30 November 2025

₹ 40.00

Prantik

The Asomiya Fortnightly

নৱগিৰি পথ, চানমাৰি, গুৱাহাটী-৭৮১ ০০৩
ফোন ঃ ৭৬৩৭০১৪০৩৮ (সম্পাদনা)
৯৪৭৬৭৯৬০১৯ (ব্যৱস্থাপনা)

e-mail : prantikasomiya@gmail.com
website : www.prantikonline.com

প্রতিষ্ঠাপক মুখ্য সম্পাদক ঃ ড° ভবেন্দ্র নাথ শইকীয়া

Navagiri Road, Chanmari,
Guwahati-781003
Phone : 7637014038 (Editorial)
9476796019 (Administrative)

সূচী

◆ **পত্রালাপ** ○ ৪
◆ **সম্পাদকীয়**
ঐতিহাসিক অসম আন্দোলনৰ পৰিণাম ○ ৫
● তৈল সম্পদকেন্দ্রিক আমেৰিকা-ছৌডি আৰবৰ দ্বিপাক্ষিক সম্পর্ক
ড° অৱনী কুমাৰ দাস ○ ১২
◆ **অর্থনীতি**
বিনিয়োগ, বিপদৰ আশংকা, মিউচ্যুৱেল ফাণ্ড ইত্যাদি
—পল্লৱ জ্যোতি শর্মা ○ ১৪
● ছুড'কু ○ ১৫
● বিহংগম দৃষ্টিত ডিজিটেল মঞ্চত অনলাইন বেংকিং
—দুর্লভ চন্দ্র নাথ ○ ১৬
● পদার্থবিজ্ঞানৰ ন'বেল বিজয়ীৰ গৱেষণাত ভাৰতীয় আধ্যাত্মিক চিন্তাৰ
বীজ —হেমাংগ গোস্বামী ○ ১৮
◆ **বিজ্ঞান-বর্ণালী**
ভাৰতৰ নৃবিজ্ঞান চর্চাৰ অন্যতম কাণ্ডাৰী ঃ বিজ্ঞান সাধক প্রফেছৰ
ভুবন মোহন দাস
—ক্ষীৰধৰ বৰুৱা ○ ১৯
◆ **জ্ঞানাঞ্জন** ○ ২৩
◆ **ঘৰুৱা**
তোলনীয়া পুত্র ঃ এটা অবাঞ্ছিত বিপদ
—বলীন্দ্র নাথ চেতিয়া ○ ২৫
◆ **স্বাস্থ্য**
মৃগী ৰোগৰ কাৰণ আৰু চিকিৎসা
—ডা° অজয়া মহন্ত ○ ২৬
● ভাৰতীয় সংস্কৃতিত পুৰুষত্বৰ চিত্রণ ঃ এটি বিশ্লেষণ
—সুমন ভূঞা ○ ২৮
◆ ভূপেন হাজৰিকাৰ গীতত মানৱতাবাদ আৰু বর্তমান ইয়াৰ
প্রাসংগিকতা—মিতুমণি চেতিয়া ○ ৩০
● সুৰ সামৰি সৰগলৈ গ'লগৈ চৈয়দ ছাদুল্লা
—নির্মল ডেকা ○ ৩২
● নিঃসংগ হ'ল দীপক শর্মাৰ বাঁহীটো
—নীলিম আকাশ কাশ্যপ ○ ৩৪
● জবিনৰ মৃত্যু আৰু আজিৰ পৰিস্থিতি
—বীৰেশ মল্ল বৰুৱা ○ ৩৫
● মহানায়কৰ মহাপ্রস্থান —গুণ গোবিন্দ ফুকন ○ ৩৬
● শিল্পী জুবিন গার্গৰ জীৱন পৰিক্রমাৰ এক চমু আলোকপাত
—ৰাহিদ আহমেদ ○ ৩৮
● জুবিন আৰু সমাজৰ বিষাক্ত কীট
—বনশ্রী শর্মা ○ ৪০
● জুবিনে মিচিং গীতো শুদ্ধ উচ্চাৰণেৰে গাইছিল
—খগেন পেগু ○ ৪২
● জুবিনৰ বৰ অসম আৰু AI-ৰ গ্রহণযোগ্যতা
—দীপ কমল গোহাঁই ○ ৪৪
● ডিজিটেল স্পন্দন ঃ কৃত্রিম বুদ্ধিমত্তা আৰু কল্পনাৰ মিলনস্থল
—ৰূপম দত্ত ○ ৪৬
◆ **প্রকৃতি**
ক'তনো হেৰাল হাস্নাহানাৰ গোন্ধ?
—ড° সঞ্জীৱ বৰুৱা ○ ৪৮
● অসমীয়া জনজীৱনত আঘোণ মাহ
—ড° অঞ্জনা গোস্বামী ○ ৪৯
◆ **সাম্প্রতিক**
ৰৰভেটিৰ ন-লগোৱা উৎসৱে গায় মানৱতাৰ জয়গান
—কুশল কুমাৰ দাস ○ ৫০
● শব্দ-সমাহাৰ—ধ্রুৱজ্যোতি দাস ○ ৫৩
◆ **কবিতা** ○ ৫৪
◆ **গল্প**
তোমাৰ সৈতে এটি বর্ষণমুখৰ গধূলি
—দীপ শইকীয়া ○ ৫৬
গোচৰ
—নৱজিৎ চেলেং ○ ৫৯
◆ **ধাৰাবাহিক উপন্যাস**
কল্যাণ খৰমান
—যাদৱ চন্দ্র হাজৰিকা ○ ৬১
◆ **ক্রীড়াংগন**
এদিনীয়া মহিলা বিশ্বকাপ ক্রিকেটত ভাৰত চেম্পিয়ন
১৫ জনীয়া দলত আছিল গোলাঘাটৰ উমা চেত্রীও
—ৰূপক জি. দুৱৰা ○ ৬৫
◆ **শেষপৃষ্ঠা** ○ ৬৬

কিছুসংখ্যক ছবি ঃ ইণ্টাৰনেটৰ সৌজন্যত

কার্যবাহী সম্পাদক ঃ **ইমৰান হুছেইন**, সহযোগী ঃ **অঞ্জন বায়চৌধুৰী**, আৰ্হিপাঠ ঃ **জোনমণি দাস**
ব্যৱস্থাপনা ঃ **প্রসন্ন শর্মা**, সহযোগী ঃ **কেশৰ বর্মন, দিলীপ তালুকদাৰ**
বর্ণবিন্যাস আৰু পৃষ্ঠা অলংকৰণ ঃ **কুমুদ শর্মা, কিশোৰ ডেকা**, অংগসজ্জা ঃ **জয়ন্ত বৰুৱা**
প্রদীপ বৰুৱাৰ দ্বাৰা সম্পাদিত আৰু **ৰশ্মি বৰুৱাৰ** দ্বাৰা মুদ্রিত আৰু প্রকাশিত
মুদ্রাংকন ঃ শৰাইঘাট অফছেট প্রেছ, শৰাইঘাট ফট'টাইপছ প্রা.লি., বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১

Scanned with OKEN Scanner

বৰভেটিৰ ন-লগোৱা উৎসৱে গায় মানৱতাৰ জয়গান

কুশল কুমাৰ দাস



বৰভেটি নির্মাণৰ ইতিহাস বহুতৰ বাবে প্রেৰণাদায়ক, তাকে লৈ বৃহত্তৰ অসমীয়া জাতি সংগঠিত হৈ থাকিব পাৰে। এতিয়া হয়তো সাধুকথাৰ দৰে লাগিব পাৰে, কাৰণ যি সময়ত শদিয়াৰ পৰা ধুবুৰীৰ ভক্তসকলে এচপৰাকৈ মাটি আনি সত্রাধিকাৰ প্রভুৰ আহ্বানক সঁহাৰি জনাই এটা পাহাৰসদৃশ টিলা (ভেটি) নির্মাণ কৰা সত্য দৃষ্টান্ত জলজল-পটপট হৈ আছে, তেনে ইতিহাসৰ গুৰুত্ব আজিৰ প্রজন্মই কেনেভাবে ল'ব লাগে তাৰেই চানেকিস্বৰূপ ন-লগোৱা পৰম্পৰাগত সার্বজনীন জাতি-বর্ণ-ভাষাৰ সমন্বয়ক্ষেত্র হৈ পৰিছে বৰভেটি।

♦♦♦

'বৰভেটি' শব্দটোৰ লগত বৈষ্ণৱ পন্থাৰ মায়ামৰা সমাজৰ জাতীয়তাবাদৰ ইতিহাস বিজড়িত হৈ আছে। 'বৰ' বিশেষণ আৰু 'ভেটি' বিশেষ্য পদ, ইয়াৰ অর্থ হৈছে এটুকুৰা ঠাইত প্রয়োজন মতে মাটি তুলি নির্মাণ কৰা ওখ ভেটি বা 'বৰভেটি'। ঘৰ সাজিবলৈ বা বিশেষ প্রয়োজনত ওখকৈ প্রস্তুত কৰি লোৱাৰ সৈতে 'বৰভেটি'ৰ ধাৰণা পৃথক। আজিৰ পৰা প্রায় চাৰিশ বছৰৰ আগেয়ে আহোম স্বর্গদেউ লক্ষ্মীসিংহৰ ৰাজত্বকালৰ ৰাজবিষয়া কীর্তিচন্দ্র বৰবৰুৱাৰ অত্যাচাৰত অতিষ্ঠ হৈ ডেকা মহন্ত সপ্তভুজে বিদ্রোহৰ সূচনা কৰে। ইয়াৰ পৰিণতিতে ১৭৬৮ খ্রিষ্টাব্দত সুদূৰ শদিয়াৰ পৰা মানাহলৈকে থকা আঠ লাখ নব্বৈ হাজাৰ শিষ্য আহি মালৌৰ 'খঁটীয়াপোতা' সত্রত বা 'পলাশৰগুৰি শিঙীয়াজানৰ কান' সত্রত সমৰেত হয়। মালৌপথাৰৰ দ-অঞ্চলত এটা ভেটি বান্ধে। ইয়াক বৰভেটি নামে জনা যায়।[১] ডেকা সত্রধিকাৰ সপ্তভুজৰ উদ্যোগত ৰাঘ মৰাণৰ সেনাপতিত্বত বিদ্রোহ ঘোষণা কৰি ১৭৬৯ চনত ৰজা লক্ষ্মীসিংহ আৰু ৰাজবিষয়া কীর্তিচন্দ্র বৰবৰুৱাৰ সৈন্যক পৰাস্ত কৰি আহোমৰ ৰাজধানী ৰংপুৰ দখল কৰে। অসমৰ ইতিহাসত ইয়াকে 'মোৱামৰীয়া বিদ্রোহ' বুলি অভিহিত কৰি অহা হয় যদিও অসমীয়া মানুহৰ এনে ঐক্যৱদ্ধ শক্তিশালী স্থিতিক একাষৰীয়া কৰি ৰখা হয়। এয়া ৰজাঘৰ আৰু প্রজাৰ মাজৰ সংঘাত। এনে সংঘাত আজিও আছে, যুগে যুগে থাকিব। শাসকৰ অত্যাচাৰ অসহনীয় হ'লে প্রজাৰ স্থিতি সংগ্রামলৈ ৰূপান্তৰ হয়। প্রজাৰ ঐক্যৱদ্ধ শক্তি আৰু একতাৰ বান্ধোন সুদৃঢ় কৰি নির্মাণ কৰা বৃহৎ ভেটিয়েই হৈছে বৰভেটি। এনেয়ো আমাৰ অসমীয়া পৰম্পৰাত 'বৰ' বিশেষণৰ প্রয়োগ গাম্ভীর্যপূর্ণ আৰু সন্মানজনক অর্থত বহুলভাৱে প্রয়োগ হোৱা দেখা যায়। শংকৰ-মাধৱ গুৰু দুজনাই ৰচনা কৰা গীতসমূহক বিশেষ গীত হিচাপে পৰিচিত কৰিবলৈ 'বৰগীত' অভিধা ব্যৱহাৰ কৰাৰ বাবে সুকীয়া স্থান লাভ কৰি আছে; তেনেদৰে আন বহুতো শব্দ যেনে— বৰদেউতা, বৰফুকন, বৰবৰুৱা, বৰদলৈ, বৰআলি, বৰঘৰ, বৰপূজাৰী, বৰমা, বৰাৰ-পো আদি 'বৰ' বিশেষণযুক্ত শব্দৰাজি অসমীয়া ভাষাৰো অভিজাত বিশেষত্ব। 'বৰভেটি'ৰ লগত জড়িত হৈ আছে বৃহত্তৰ অসমীয়া জাতিৰ ঐতিহাসিক স্বাভিমান, একতাৰ শক্তিশালী নিদর্শন, গৌৰৱ, অহংকাৰ আৰু সার্বভৌম সাংস্কৃতিক ঐতিহ্য। এনে স্থানতে ঐক্যৱদ্ধভাৱে কৃষিজীৱী সমাজৰ কৃষকৰ খেতিপথাৰত উৎপাদিত শস্য আগবঢ়োৱা অনুষ্ঠানেই সার্বজনীন ন-লগোৱা পৰম্পৰাগত উৎসৱ। এই উৎসৱ বিভিন্ন জাতি-বর্ণ-ভাষাৰ সন্মিলিত আনন্দোৎসৱ। একতাৰ শক্তিৰ সৈতে একোৰে তুলনা নহয়। এটা লেখাত বিজ্ঞজনে লিখিছে—'বৰভেটিৰ বুকুত শুই আছে নিপীড়িত, নির্যাতিত, লাঞ্ছিত আৰু অপমানিত শিষ্য-প্রশিষ্যৰ মনৰ ক্ষোভ, গুৰু ঋণ পৰিশোধৰ সংকল্প আৰু বিদ্রোহৰ অগ্নিমন্ত্র।'[২] যিকোনো ইতিহাস এটা জাতি বা এখন ৰাজ্যৰ জনতাৰ বাবে গৌৰৱপূর্ণ বা তিক্ততাপূর্ণ হোৱা একো ডাঙৰ কথা নহয়। অতীতৰ বেয়া দিনবোৰৰ কথা এতিয়া মানুহে পাহৰি যোৱা সময়ত পুনৰ উগাৰি থাকিলে একো লাভ নাই। ৰাজেশ্বৰ সিংহ আৰু লক্ষ্মীসিংহৰ দিনৰ ভক্ত, বৈষ্ণৱৰ সৈতে হোৱা মান-অপমানৰ কথাবোৰৰ চর্চাক সততে পৰিহাৰ কৰাটো মংগলজনক। কিন্তু যি পৰিঘটনাৰ ফলত তেনে ঐতিহ্য বিজড়িত স্থান বৰভেটি নির্মাণ হৈছিল আৰু সেই স্থানতে বছৰ বছৰ ধৰি আঘোণৰ প্রথম দেওবাৰত সন্মিলিতভাৱে ন-লগোৱা উৎসৱ গঢ় লৈ উঠাহে তাৎপর্যপূর্ণ। ৰাজ্যৰ ভিতৰতে

Scanned with OKEN Scanner

ঐতিহ্য বহন কৰা এটি লেখত ল'বলগীয়া উৎসৱ যদিও বিভিন্ন ঠাইৰ মানুহে এই উৎসৱৰ কথা গমেই নাপায়। কাৰণ অসমৰ বিভিন্ন সাংস্কৃতিক অনুষ্ঠান তথা সংগঠনসমূহে সমন্বয়ৰ মহান কৃষিজীৱী সমাজৰ এই উৎসৱক বিশেষভাবে গুৰুত্ব প্ৰদান কৰা দেখা নাযায়। আবেগ জড়িত সাম্য-মৈত্ৰী আৰু অহংকাৰ তথা স্বাভিমানৰ ইতিহাস থকা সত্ত্বেও বিশেষ প্ৰাধান্য পোৱা নাই। কিন্তু চৰকাৰৰ সাংস্কৃতিক বিভাগে দায়িত্ব পালন কৰিয়ে দায় সৰাৰ দৰে এনে উৎসৱক স্বীকৃতি দিয়াৰ বাহিৰে বিশেষ পদক্ষেপ লোৱা দেখা নাযায়। বিশেষকৈ এই উৎসৱ কৃষিৰ লগত জড়িত বাবে সকলো শ্ৰেণীৰ খেতিয়কক বৰভেটিৰ বুকুত কৃষক সম্মিলনৰ জৰিয়তে একত্ৰিত কৰাৰ সম্ভাৱনা থাকিলেও সেয়া সম্ভৱ হৈ উঠা নাই। ন-লগোৱা উৎসৱক উৎসাহ জগোৱা উৎসৱলৈ ৰূপান্তৰ কৰাৰ থল নিশ্চয় আছে। মাংগলিক ক্ৰিয়াকৰ্মৰ বাদেও খেতিযকসকলক জনমুখী কৰি আকৰ্ষণ বৃদ্ধি কৰিব পাৰে। মাত্ৰ দুটা দিনৰ বাবে ন-লগোৱা উৎসৱত অসমৰ সমূহ কৃষকক লৈ বৰভেটিত একত্ৰিত কৰিব পাৰে। কৃষি সম্পৰ্কে বিভিন্ন আলোচনাচক্ৰ, কৰ্মশালা আদি অনুষ্ঠিত কৰি অসমৰ লগতে আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তে বৰভেটিৰ মহত্ত্ব বিশ্ব দৰবাৰলৈ লৈ যাব পাৰে। দৰাচলতে বৰভেটিয়ে সমন্বয় আৰু ভাতৃত্ববোধৰ চানেকি কৰি তোলাৰ প্ৰচুৰ সম্ভাৱনা আছে।



বৰভেটি নিৰ্মাণৰ ইতিহাস বহুতৰ বাবে প্ৰেৰণাদায়ক, তাকে লৈ বৃহত্তৰ অসমীয়া জাতি সংগঠিত হৈ থাকিব পাৰে। এতিয়া হয়তো সাধুকথাৰ দৰে লাগিব পাৰে, কাৰণ যি সময়ত শদিয়াৰ পৰা ধুবুৰীৰ ভক্তসকলে এচপৰাকৈ মাটি আনি সত্ৰাধিকাৰ প্ৰভুৰ আহ্বানক সঁহাৰি জনাই এটা পাহাৰসদৃশ টিলা (ভেটি) নিৰ্মাণ কৰা সত্য দৃষ্টান্ত জলজল-পটপট হৈ আছে, তেনে ইতিহাসৰ গুৰুত্ব আজিৰ প্ৰজন্মই কেনেভাবে ল'ব লাগে তাৰেই চানেকিস্বৰূপ ন-লগোৱা পৰম্পৰাগত সাৰ্বজনীন জাতি-বৰ্ণ-ভাষাৰ সমন্বয়ক্ষেত্ৰ হৈ পৰিছে বৰভেটি। মন কৰিবলগীয়া কথাটো হ'ল—বৰভেটিত ন-লগোৱা পৰম্পৰা কেতিয়াৰ পৰা আৰম্ভ হ'ল? বৰভেটিৰ লগত এনে পৰম্পৰা কেনেকৈ সংলগ্ন হৈ পৰিল? কাৰণ বৰভেটি হৈছে শৌয্য-বীৰ্যৰ প্ৰতীক। সেই স্থানক বিশেষভাৱে কেতিয়াৰ পৰা গুৰুত্ব দিবলগীয়া হ'ল? বিভিন্ন স্থানৰ পৰা বিভিন্ন ধৰ্মৰ লোকে ন-লগোৱাৰ বাবে কোনে সংগঠিত কৰি এই পৰম্পৰাক জনমুখী কৰি তুলিলে? ইয়াৰ উত্তৰত বিভিন্ন মুখৰোচক কাহিনী নিশ্চয় আছে; তেনে কাহিনী-গুজৰ বা কিংবদন্তিসূচক চৰ্চা হোৱা সাধাৰণ কথা। কিন্তু প্ৰকৃত সত্য কেতিয়াও লুকাই নপৰে। তাত লাখ লাখ ভক্তৰ পদধূলাৰ স্পৰ্শ আৰু মহত্ত্ব কেতিয়াও অথলে যাব নোৱাৰে। ওচৰৰ -পাঁজৰৰ বিভিন্নজনে সেই ঠাইক নিজৰ ধৰণে ব্যৱহাৰ কিম্বা পৰিত্যক্ত স্থান ৰূপে গণ্য কৰিছিল আৰু কোনোৱে বস্তি এগছি আগবঢ়াই সেৱা জনাইছিল। গৰখীয়া ল'ৰাই গৰু চৰাইছিল, কৃষকে আঘোণ মাহৰ এটা বিশেষ দিনত নতুন ধানৰ ন-চাউল আৰু নিমখ আগবঢ়াইছিল; এনেদৰে এটা সময়ত বিভিন্নজনৰ আগমনত বৰভেটি হৈ পৰিছিল ন-লগোৱাৰ পৰিত্ৰ স্থান। এনেয়ো বৰভেটিত ঐতিহাসিক মহত্ত্ব বিৰাজমান হৈ আছিল। 'আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনতে ৰাজবিষয়া কীৰ্তিচন্দ্ৰ বৰবৰুৱাই অনিৰুদ্ধদেৱৰ আস্থাভাজন ভক্তৰ ওপৰত একাধিকবাৰ অত্যাচাৰ চলাইছিল যদিও মোৱামৰীয়াসকল তৎকালীন বিদ্ৰোহী হৈ উঠা নাছিল। কিন্তু ৰাজেশ্বৰ সিংহৰ মৃত্যুৰ পাছত স্বৰ্গদেউ লক্ষ্মীসিংহৰ দিনত (১৭৬৯-১৭৮০) ৰাজ বিষয়া কীৰ্তিচন্দ্ৰৰ অত্যাচাৰত অতিষ্ঠ হৈ মোৱামৰীয়াসকলে বিদ্ৰোহৰ সূচনা কৰে।[৩] নতুন প্ৰজন্মৰ বাবে মোৱামৰীয়াসকল কোন? কথাষাৰ স্পষ্ট হোৱা দৰকাৰ। আহোম ৰাজত্বকালত গোপালদেৱৰ শিষ্য অনিৰুদ্ধদেৱৰ সময়ৰ পৰা বৈষ্ণৱ পন্থৰ ভক্তসকলক আহোম ৰাজবংশই মায়ামৰা সম্প্ৰদায় বুলি অভিহিত কৰিবলৈ লয়। শংকৰদেৱে তেওঁৰ জীৱনকালত কেতিয়াও ৰাজশক্তিক বিশ্বাসত লোৱা নাছিল; বৰঞ্চ ৰাজশক্তিৰ ৰোষৰ পৰা হাত সাৰি থাকিবলৈ জীৱনৰ অন্তিম সময়ত কোচৰজাৰ আশ্ৰয়ত থকা সময়তো নৰনাৰায়ণ আৰু তেওঁৰ ভাতৃ চিলাৰায়ক শৰণ দিয়া নাছিল। মাত্ৰ ৰজাৰ আগ্ৰহক সন্মান জনাই গুণমালা আৰু ৰামবিজয় অংকীয়া নাট ৰচনা কৰিছিল। তেনে বৈষ্ণৱ পন্থাৰ অনুগামী অনিৰুদ্ধদেৱৰ নাম-গুণ চৌদিশে বিয়পি পৰাত তেওঁক আহোম ৰজাই পৰীক্ষা কৰি চাবলৈ মাতি পঠিয়াইছিল। মুখবন্ধ কলহ এটাৰ ভিতৰত কি আছে বুলি ৰজাই সুধিলত তেওঁ কালসৰ্প আছে বুলি কোৱাত ৰজাৰ খং উঠিছিল যদিও কলহৰ মুখ খুলি চোৱাত সঁচাকৈয়ে দেখা পালে। তেতিয়াৰ পৰা অনিৰুদ্ধদেৱৰ অনুৰাগী শিষ্যসকল মায়ামৰা আৰু পাছলৈ মোৱামৰীয়া সম্প্ৰদায় বুলি চিহ্নিত হ'ল। এই বিষয়ে শ্ৰীশ্ৰীঅনিৰুদ্ধৰ চৰিত পুথিত এনেকৈ আছে—"দেখি মহাৰাজা পাছে হইয়া বিস্ময়। গোসাঁইক বোলন্ত শুনা বাপ মহোদয়।। তুমি সম নাহিকয় শ্ৰেষ্ঠ সাধুজন। শীঘ্ৰে মায়া সৰ্প গোট কৰা নিবাৰণ।। ১৬৩...মায়া সৰ্প সৃজি যাতো কৰিলা নিৰ্যান। এহি হেতু মায়ামৰা হৈবক আখ্যান।।১৬৫"[৪] অনিৰুদ্ধদেৱৰ ঐশ্বৰিক গুণৰ পাছতে দিহিঙৰ পাৰত সত্ৰ প্ৰতিষ্ঠা কৰে। অনিৰুদ্ধদেৱে মহাপুৰুষ দুজনাৰ অনুগামী বিশিষ্ট ধৰ্মগুৰু হিচাপে ভাগৱতৰ চতুৰ্থ স্কন্ধৰ 'পুৰঞ্জয় আখ্যান' আৰু পঞ্চম স্কন্ধৰ ভাঙনি কৰাৰ উপৰিও ভক্তি মংগল ঘোষা (যিখন মাধৱদেৱৰ নামঘোষাৰ দৰে) ৮০৫টি ভক্তি বিগলিত অনুৰাগ আৰু ব্যঞ্জনা বিদ্যমান, সৰ্বমুঠ '১৮২ টা গীত, টোটয়, ভটিমা আদি ৰচনা কৰাৰ উপৰিও 'নিজশাস্ত্ৰ' নাম দি তেওঁ এখন গোপনীয় পুথিও প্ৰণয়ন কৰিছিল।"[৫] এইখন পুথিৰ এতিয়ালৈকে ছপা আকাৰত পাঠ উদ্ধাৰ সম্ভৱ হোৱা নাই; কেৱল শৰণ-ভজন লোৱা ভক্তৰ আপডালত অতি গোপনভাবে চৰ্চা হয়। ভক্তসকলে গ্ৰন্থখনৰ পৰিত্ৰতা ম্লান নপৰাৰ বাবে ভক্ত সমাজৰ মাজতে সীমাবদ্ধ কৰি ৰাখিছে। মূল পাঠ (ur-text) নষ্ট নোহোৱাকৈ নিশ্চয় সচেতন ভক্তই ইয়াৰ নকল পাঠ সৃষ্টি কৰি লৈছে, যদি কৰা নাই তেনেহ'লে অতি সোনকালে গ্ৰন্থখনৰ নকল পাঠ উলিওৱা দৰকাৰ বুলি ভাবোঁ। মায়ামৰা

Scanned with OKEN Scanner

শব্দটোৰ ব্যৱহাৰ 'মায়া' শব্দৰ যোগেদি অনিৰুদ্ধৰ অলৌকিক সত্তাক বুজোৱা হৈছিল। লগতে বিশেষ বৈষ্ণৱ আদৰ্শ পন্থাক বুজাবলৈ পৰৱৰ্তী কালত ব্যৱহাৰ হয় আৰু এই বৈষ্ণৱ পন্থাত বিভিন্ন সম্প্ৰদায়ৰ লোক আছে। বৰ্তমানে সুকীয়া মায়ামৰা বৈষ্ণৱ পৰম্পৰাত সকলো শ্ৰেণীৰ লোকে বিভিন্ন লোকাচাৰ পালন কৰি আহিছে। অনিৰুদ্ধদেৱৰ ৭৩ বছৰ বয়সত ১৫৪৮ শকত (১৬২৮ চনত) ২৫ বছৰ ধৰি ধৰ্ম প্ৰচাৰ কৰাৰ অন্তত দেহান্ত হৈছিল। বংশ পৰম্পৰামতে তেখেতৰ জ্যেষ্ঠ পুত্ৰ কৃষ্ণদেৱ নাহৰআতি সত্ৰৰ অধিকাৰ হয়। এনেধৰণৰ অধিক সত্ৰ প্ৰতিষ্ঠা হৈছিল। ইয়াৰ ভিতৰৰ চাবুৱাৰ দিনজান নৈৰ পাৰৰ দিনজয় সত্ৰ, পুৱণিমাটি, বৰবাম, টিফুক, গড়পাৰা, মদাৰখাত আদি সত্ৰৰ সংখ্যা বৃদ্ধি পাইছিল। 'মায়া' শব্দৰে বুজোৱা বৰ্তমানৰ মোৱামৰীয়া বৈষ্ণৱ পন্থত মৰাণ, মটক, কৈৱৰ্ত, কোচ, কলিতা, বামুণ, আহোম আদি বিভিন্ন বৃত্তিৰ লোকৰ ন-লগোৱা উৎসৱৰ সমৃদ্ধি আৰু পৰিধি বৃদ্ধি পাইছে। বৰভেটিত আছে বিশুদ্ধ জাতীয়তাবোধৰ মহামন্ত্ৰ, ১৭৬৮ চনত সমৱেত হোৱা আঠ লাখ নৱৈ হাজাৰ ভক্তৰ ঐক্য শক্তিৰ নব্য সাংস্কৃতিক মহামিলনৰ তীৰ্থস্থানৰূপে পৰিগণিত বৰভেটিত উৎসৱ। আহোম ৰাজত্বকালতে অভিহিত মায়ামৰা বৈষ্ণৱ পন্থৰ লোকৰ বাহিৰেও সকলো শ্ৰেণীৰ লোকৰ বাবে বৰভেটিত ঐক্য-সম্প্ৰীতিৰ আধুনিক পৰম্পৰাগত সংস্কৃতি গঢ় লৈ উঠিল। এনে সুস্থ পৰম্পৰাই সকলো শ্ৰেণীৰ মাজলৈ মানৱতাৰ বাৰ্তা বহন কৰি শক্তিশালী স্থিতি লাভ কৰিছে। ৰজাঘৰৰ চকু পৰক বা নপৰক সকলো দিশৰ পৰা নিৰ্দিষ্ট দিনত হিলদল ভাঙি আহি বৰভেটিত শুই থকা একতাৰ স্মৃতিক পুনৰবাৰ ৰোমন্থন কৰি অসমীয়া জাতিয়ে বছৰত এবাৰ আঘোণ মাহৰ প্ৰথম দেওবাৰত ন-লগোৱা পৰ্বৰে নিজৰ দেহ-মনত শক্তি সঞ্চয় কৰে। বৰভেটিত ন-লগোৱা উৎসৱৰ লগত জড়িত হৈ আছে ১৭৬৮ চনৰ সমৱেত শক্তি পৰীক্ষাৰ ইতিহাস। ন লাখ শিষ্যৰ একত্ৰিত সমাৱেশে প্ৰেৰণা যোগাই আহিছে ন-লগোৱা উৎসৱক। মালৌ পথাৰৰ বুকুত একতাৰ জয়ধ্বনি শুনা বৰভেটি থান সকলো ভক্তৰ ভক্তি বিগলিত ঐক্যতান। 'বৰভেটিৰ মূলমন্ত্ৰ "সংহতিঃ কাৰ্যসাধিকা'। সহজ ভাষাত ক'বলৈ হ'লে United we stand, divided we fall.এই কথাষাৰ...[৩] গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হয়। সংহতিৰ চালিকা শক্তি ন-লগোৱা উৎসৱে কৃষিজীৱী সমাজক একতাৰ বান্ধোনেৰে বান্ধ খুৱাই ৰাখে। এনে এক মহান সমন্বয়ৰ উৎসৱৰ প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত ৰজাঘৰ-প্ৰজাঘৰৰ কাণ্ডাৰীসকলে বিশেষ গুৰুত্ব দিয়া দেখা নাযায় বা মন-কাণ নিদিয়ে। বৰভেটিৰ ইতিহাস ঐক্য-সম্প্ৰীতি-সাহস-শৌয-বীৰ্য-স্বাভিমান যদিও এনে ভাললগা মহত্ত্ব আৰু কৃতিত্ব সদায় পিছপৰি থাকে। বিশ্বৰ বুকুত কৃষিভিত্তিক উৎসৱ দেশে দেশে আছে যদিও ইতিহাসক সাক্ষী কৰি অসমৰ বিভিন্ন ঠাইৰ সমাজৰ একোটা গোট বা খেল আহি বৰভেটিৰ প্ৰাংগণত গায়ন-বায়ন সমন্বিতে দৃষ্টিনন্দন ৰূপত ন-ধানৰ প্ৰসাদ আৰু নিমখ বৰভেটি থানত আগবঢ়োৱা একতাৰ জয়ধ্বনিৰ নিদৰ্শন অভূতপূৰ্ব। এনে মহত্ত্বৰ চানেকি বিৰল; প্ৰতিটো গোট বা খেলে গায়ন-বায়নৰ দ্বাৰা আয়োজন কৰা নামৰ ধ্বনিয়ে আকাশ-বতাহ কঁপাই তোলে। গছ-বিৰিখ, চৰাই-চিৰিকটি, হাবি-জংগলেৰে বেৰি থকা ঐতিহাসিক বৰভেটিৰ অকলশৰীয়া বেদনা বেছিদিন নাথাকিল; অসমৰ চুক-কোণৰ কৃষিজীৱী বৈষ্ণৱ ভক্তই আঘোণৰ প্ৰথম দেওবাৰত ন-লগোৱা উৎসৱ পাতি ইতিহাসৰ সাক্ষীস্বৰূপ জাতীয়তাবাদক জীয়াই ৰাখিলে। জাতীয়তাবাদৰ শক্তি তথা জনতাৰাজে সৰ্বসাধাৰণ লোকৰ অস্তিত্বক সুৰক্ষা দিব পাৰে, বৰভেটিৰ ইতিহাস ৰাইজৰ সাহস লগতে সচেতন অসমীয়াই পুনৰ বৰভেটিৰ শৌয-বীৰ্যৰ প্ৰেৰণাদায়ক ইতিহাস · বিচাৰি পালে। "In the begining 'Borbheti' was confined to Mayamora disiciplines alone. But as time passed it has become a place of worship for people coming from all walks of life."[৭] মোৱামৰীয়া বিদ্ৰোহৰ ইতিহাস কেতিয়াও সুখদায়ক নাছিল। ৰজাঘৰীয়া তথা মোৱামৰীয়া সংঘাতে দুটা দশকৰ অধিক কাল অসমক অস্থিৰ কৰি ৰাখিছিল। মোৱামৰীয়া জাতীয়তাবাদৰ লগতে আহোম ৰাজত্বৰ প্ৰশাসনিক ব্যৱস্থা দুৰ্বল হোৱাৰ সময়তে বদন বৰফুকনে গৃহকন্দলৰ প্ৰতিকাৰ বিচাৰি ব্ৰহ্মদেশৰ মান সেনাৰ সহায় লোৱাৰ সুবিধা পায় মানে তিনিবাৰকৈ অসম আক্ৰমণ কৰি অসমৰ ৰাজহাড় ভাঙি পেলোৱাৰ উপক্ৰম হৈছিল। এফালে মোৱামৰীয়া সংগ্ৰাম আনফালে মানৰ আক্ৰমণে অসমৰ ইতিহাসকে সলনি কৰি দিলে। ৰজাঘৰ, প্ৰজাঘৰৰ ওপৰত ব্ৰিটিছৰ শাসন, পৰাধীন ভাৰত তথা অসমৰ বুকুত ৰাজনৈতিক, আৰ্থসামাজিক আদি বিভিন্ন দিশত স্বতন্ত্ৰতা নাইকিয়া হৈ পৰিছিল। দেশে স্বাধীনতা পোৱাৰ পৰাই আৰম্ভ হ'ল গণতান্ত্ৰিক গণৰাজ্যৰ সমাজবাদ। ৰাজতন্ত্ৰৰ অৱসান ঘটিল। 'বৰভেটি'ৰ বুকুত জাতীয়তাবাদ নিটাল মাৰি আছিল যদিও মানুহৰ বন্ধ্ৰে ৰন্ধ্ৰে, তেজৰ সিৰাই সিৰাই বৈ আছিল প্ৰজন্মৰ পাছত প্ৰজন্মলৈ। ইতিহাস কেতিয়াও হেৰাই নাযায়; প্ৰয়োজনত সাৰ পাই, সাহস জোগাই প্ৰেৰণা দিয়ে। বৰভেটিত তেনে অৱলম্বনৰ প্ৰয়োজন আহিল। খেতিয়কৰ কষ্টোপাৰ্জিত ধানমুঠিৰ এমুঠি চাউল বৰভেটিত আগবঢ়োৱাৰ দিহা কৰা হ'ল। কাৰণ সেই স্মৰণীয় স্থানতে আছে অতীতৰ আঠ লাখ নৱৈ হাজাৰ প্ৰজাৰ সমাজবাদৰ স্বাক্ষৰস্বৰূপ জাত্যাভিমান। ন-লগোৱা পৰম্পৰা আৰু স্বাভিমান গভীৰ অৰ্থবহ আৰু অৰ্থপূৰ্ণ ৰূপত সকলো লোককে আকৰ্ষিত কৰি আজিৰ লাখ লাখ উৎসৱমুখী ভক্তৰ সমাগমথলী হৈ পৰিল। অসমৰ একমাত্ৰ বৰভেটিৰ ন-লগোৱা উৎসৱক জাতি বৰ্ণ-ভাষা-ধৰ্ম নিৰ্বিশেষে মনোগ্ৰাহী কৰি তুলিবলৈ ৰাজ্যিক উৎসৱৰূপে স্বীকৃতি নিদিয়াটো আচৰতি যেন লাগে। বাহিৰৰ ৰাজ্যৰ বহিৰাগত অসমীয়াৰ ধৰ্মীয় উৎসৱসমূহক যিধৰণে গুৰুত্ব দিয়া হৈছে তাকে চাই ন-লগোৱা উৎসৱে স্বীকৃতি নোপোৱাটো পৰিতাপৰ কথা। অসমৰ থলুৱা কৃষ্টি-সংস্কৃতিসমূহক প্ৰথমে অধিক গুৰুত্ব আৰু ৰক্ষণাৱেক্ষণ দিয়াৰ পাছতে বহিৰাগতৰ কথা চিন্তা কৰিব লাগে। অন্যথা 'আজিৰ অসমীয়াই অসমৰ মাটিতে নিজে ভগনীয়া হ'ব।'

পাদটীকা

১। বৰা, বিকাশ কুমাৰ, মালৌপথাৰৰ ইতিহাস, ১৭ জানুৱাৰি-১৯৯৯, পৃষ্ঠা-২৫

২। হাজৰিকা লক্ষ্মীকান্ত, সম্পাদক-অষ্টভূজ-২০১২, বৰভেটিৰ সমন্বয় সমাৰোহঃ আৰু কিছু কথা-গোলাপ বৰবৰা, পৃষ্ঠা-৬২, স্মৃতিগ্ৰন্থ, বৰভেটিত ন-লগোৱা উৎসৱ, প্ৰকাশক-বৰভেটি উন্নয়ন আৰু সংৰক্ষণ সমিতি

৩। হাজৰিকা লক্ষ্মীকান্ত, সম্পাদক-অষ্টভূজ-২০১২, বৰভেটিৰ সমন্বয় সমাৰোহঃ আৰু কিছু কথা-গোলাপ বৰবৰা, পৃষ্ঠা-৬১, স্মৃতিগ্ৰন্থ, বৰভেটিত ন-লগোৱা উৎসৱ, প্ৰকাশক-বৰভেটি উন্নয়ন আৰু সংৰক্ষণ সমিতি

৪। গ্ৰন্থ-শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ চৰিত আৰু মায়ামৰা সত্ৰৰ গোসাঁইসকলৰ বংশাৱলী, মায়ামৰা দিনজয় সত্ৰ, পোঃ চাবুৱা, ডিব্ৰুগড়, পৃষ্ঠা-২৮

৫। হাজৰিকা লক্ষ্মীকান্ত, সম্পাদক-অষ্টভূজ-২০১২, নিষ্পেষিত অৱহেলিত গুৰু অনিৰুদ্ধদেৱ-লক্ষ্মীকান্ত হাজৰিকা, পৃষ্ঠা-২০, স্মৃতিগ্ৰন্থ, বৰভেটিত ন-লগোৱা উৎসৱ, প্ৰকাশক-বৰভেটি উন্নয়ন আৰু সংৰক্ষণ সমিতি

৬। হাজৰিকা লক্ষ্মীকান্ত, সম্পাদক-অষ্টভূজ-২০১২, বৰভেটি সংৰক্ষণ আৰু উন্নয়ন সমিতিৰ প্ৰতীক চিহ্ন-লক্ষ্মীকান্ত হাজৰিকা, পৃষ্ঠা-৭৪, স্মৃতিগ্ৰন্থ, বৰভেটিত ন-লগোৱা উৎসৱ, প্ৰকাশক-বৰভেটি উন্নয়ন আৰু সংৰক্ষণ সমিতি

৭। হাজৰিকা লক্ষ্মীকান্ত, সম্পাদক-অষ্টভূজ-২০১২, MIRACLE BEHIND BORBHETI-Sukla Ch. Goswami, পৃষ্ঠা-৭৪, স্মৃতিগ্ৰন্থ, বৰভেটিত ন-লগোৱা উৎসৱ, প্ৰকাশক-বৰভেটি উন্নয়ন আৰু সংৰক্ষণ সমিতি

ঠিকনা ঃ সহযোগী অধ্যাপক, যোৰহাট মহাবিদ্যালয়, ফোন ঃ ৯১০১১২২৬৩৮

Scanned with OKEN Scanner